অধ্যায় ৯ঃ প্রশাসনিক সেৱাৰ নিৰপেক্ষতা বনাম দায়বদ্ধতা

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য
৯.২ পৰিচয়
৯.৩ ভাৰতৰ প্রশাসনিক সেৱাৰ ৰাজনৈতিক নিৰপেক্ষতা
৯.৪ দায়বদ্ধ প্রশাসনিক সেৱাৰ সৈতে জড়িত বিভিন্ন দিশ
৯.৫ অগ্রগতি নিৰীক্ষণ
৯.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৯.৭ অধিক জানিবলৈ
৯.৮ অগ্রগতিৰ খতিয়ানৰ উত্তৰ
৯.৯ আৰ্হি প্রশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- প্রশাসনিক সেৱাৰ লগত জড়িত নিৰপেক্ষতাৰ ধাৰণাটো ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব
- ভাৰতৰ প্রশাসনিক সেৱাৰ ৰাজনৈতিক নিৰপেক্ষতাৰ বিভিন্ন দিশ সম্পর্কে অৱগত হ'ব
- ভাৰতৰ দায়বদ্ধ প্রশাসনিক ব্যৱস্থাৰ বিষয়ে জানিব পাৰিব
- ভাৰতৰ প্রেক্ষাপটত প্রশাসনিক সেৱাৰ নিৰপেক্ষতা বনাম দায়বদ্ধ প্রশাসনিক ব্যৱস্থা বিষয়টোৰ বিষয়ে ধাৰণা লাভ কৰিব।

৯.২ পৰিচয়

প্রশাসনিক সেৱাৰ নিৰপেক্ষতাৰ পৰম্পৰাটো মূলতঃ ব্রিটেইনত বিকশিত হৈছিল আৰু তাৰ পৰৱর্তী কালত ব্রিটিছৰ প্রশাসনীয় গাঁথনি অনুসৰণ কৰা বিভিন্ন ৰাষ্ট্র যেনে অষ্ট্রেলিয়া, কানাডা, মালেছিয়া, পাকিস্তান আদিয়েও গ্রহণ কৰিছিল। প্রশাসনিক সেৱাৰ লগত জড়িত পৰম্পৰাগত মূল্যবোধ সমূহৰ ভিতৰত নিৰপেক্ষতাও এটা।

৯.৩ ভাৰতৰ প্রশাসনিক সেৱাৰ ৰাজনৈতিক নিৰপেক্ষতা

- **প্রশাসনিক সেৱাত ৰাজনৈতিক নিৰপেক্ষতাৰ ধাৰণা ঃ** ব্রিটিছৰ প্রশাসনিক সেৱাৰ নিৰপেক্ষতাৰ প্রধান দিশসমূহ হ'ব —

(ক) ৰাজনৈতিক পক্ষপাতৰ পৰা মুক্ত প্ৰশাসনিক বিষয়াসকলৰ ওপৰত জনসাধাৰণৰ ভৰসা

(খ) ক্ষমতাত থকা ৰাজনৈতিক দল নিৰ্বিশেষে প্ৰশাসনিক বিষয়ালকলৰ পৰা আনুগত্যমূলক সহযোগিতা লাভৰ বিশ্বাস।

(গ) পদমৰ্যাদা আৰু অন্যান্য প্ৰাপ্তি সম্বন্ধীয় দিশবোৰ কেবল যোগ্যতাৰ ভিত্তিত নিৰূপিত হোৱা সম্পৰ্কে উচ্চ স্তৰৰ বিষয়াসকলৰ বিশ্বাস।

প্ৰশাসনিক বিষয়াসকলে নিকা ভাৱে দায়িত্ব পালনত বাধা দিব পৰা যিকোনো ৰাজনৈতিক কাৰ্যকলাপৰ পৰা আঁতৰি থাকে। ই যোগ্যতাৰ ভিত্তিত নিৰ্বাচন কৰা প্ৰক্ৰিয়াৰ পৰিণতি। এই ব্যৱস্থাই নিৰপেক্ষ, অৰাজনৈতিক প্ৰশাসনিক সেৱা সুনিশ্চিত কৰে।

প্ৰশাসনিক সেৱাৰ নিৰপেক্ষতা বুলিলে দলীয় ৰাজনীতিৰপৰা প্ৰশাসনিক বিষয়াসকল উৰ্ধত থকাকে বুজায়। এগৰাকী প্ৰশাসনিক বিষয়াই সম-মনোভাৱ আৰু উৎসাহেৰে ৰাজনৈতিক অন্তভূক্তি তথা বুজাবুজিৰ পৰা আঁতৰত থাকি সকলো ৰাজনৈতিক দলৰ চৰকাৰৰ প্ৰতি সেৱা আগবঢ়ায়। প্ৰশাসনিক সেৱাৰ নিৰপেক্ষতাৰ বাবে আমোলাসকলে যিকোনো দলৰ একে দায়বদ্ধতাৰে সেৱা কৰাটো প্ৰয়োজনীয়। প্ৰশাসনিক বিষয়াসকলে দলীয় ব্যৱস্থাৰপৰা বাহিৰত থাকি পূৰ্বৰ ৰাজনৈতিক শাসকসকলৰ দৰে বৰ্তমানৰ শাসন ব্যৱস্থাটোৰ প্ৰতিও সহায় সহযোগিতা আগবঢ়াব লাগে। মেক্সৱেবাৰে প্ৰশাসনিক ব্যৱস্থাৰ সৰ্বপ্ৰথম আৰু আটাইতকৈ গুৰুত্বপূৰ্ণ বৈশিষ্ট্যটো নিৰপেক্ষতা বুলি কৈছে।

প্ৰশিক্ষণ আৰু পৰম্পৰাৰ জৰিয়তে ৰাজহুৱা আঁচনিসমূহ ৰাজনৈতিক প্ৰভাৱ নোহোৱাকৈ স্বকীয় দৃষ্টিভংগীৰে কাৰ্যকৰী কৰিব পৰা এক ৰাজনৈতিক বাতাবৰণেই হৈছে নিৰপেক্ষ বা ৰাজনৈতিক প্ৰভাৱৰ পৰা মুক্ত প্ৰশাসনিক ব্যৱস্থাৰ মূল ভিত্তি।

অৱশ্যে নিৰপেক্ষতাৰ এই পৰম্পৰাগত ধাৰণাটো সমালোচনাৰ পৰা মুক্ত নহয়। প্ৰথমে ক'ব পাৰি নিৰপেক্ষতাৰ ধাৰণাটো ৰাজনীতি প্ৰশাসনৰ বিভাজনৰ ওপৰত প্ৰতিষ্ঠিত। বৰ্তমান সময়ত মন্ত্ৰী বা ৰাজনৈতিক কাৰ্যনিৰ্বাহকে আঁচনি প্ৰস্তুত কৰা আৰু প্ৰশাসনিক বিষয়া বা স্থায়ী কাৰ্যনিৰ্বাহকসকলে কেবল সেই আঁচনিক কাৰ্যকৰী কৰাৰ ধাৰণাটো গ্ৰহণযোগ্য হৈ থকা নাই। প্ৰশাসনিক বিষয়াসকলৰ দায়িত্ব ৰাজনৈতিক কাৰ্যনিৰ্বাহৰ প্ৰতিনিধিৰ পৰা তেওঁলোকৰ সহযোগীলৈ সলনি হৈছে। বৰ্তমান সময়ত আঁচনি প্ৰস্তুতৰ প্ৰক্ৰিয়াটো এটা ক্ৰমবৰ্ধমান প্ৰক্ৰিয়া হোৱাৰ লগতে এটা সহযোগিতামূলক প্ৰচেষ্টা হিচাপেও পৰিগণিত হৈছে। দ্বিতীয়তে আলোচ্য ধাৰণাটো দলীয় ৰাজনীতি আৰু পৰিকল্পনাৰ ৰাজনীতিৰ মাজত সৃষ্টি হোৱা বিভ্ৰান্তিৰ ওপৰত প্ৰতিষ্ঠিত। প্ৰশাসনিক বিষয়াসকলে দলীয় ৰাজনীতি সম্পূৰ্ণ ভাৱে পৰিত্যাগ কৰিব লাগে যদিও পৰিকল্পনাৰ ৰাজনীতি পৰিত্যাগ কৰা উচিত নহয়। এপেলবাইৰ মতে জনসাধাৰণৰ আকাংক্ষাৰ প্ৰতি দায়বদ্ধ হৈ থাকিব লাগে বাবে বৰ্তমানৰ সকলো প্ৰশাসনিক ব্যৱস্থা ৰাজনৈতিক। আধুনিক কালৰ প্ৰশাসনিক বিষয়াসকলে চৰকাৰৰ বিভিন্ন আঁচনিৰ প্ৰতি জনসাধাৰণৰ সমৰ্থন আদায় কৰাৰ উপৰিও কাৰ্যকৰীকৰণৰ সময়তো তেওঁলোকৰ সৈতে সহযোগিতামূলক সম্পৰ্ক ৰক্ষা কৰিব লাগে। তৃতীয়তে, দেশৰ প্ৰকৃতি আৰু উদ্দেশ্য ঋণাত্মকৰ পৰা যোগাত্মকলৈ পৰিবৰ্তন

হোৱাৰ লগে লগে প্রশাসনিক বিষয়াসকলৰ ভূমিকাৰো পৰিবর্তন হৈছে। এখন কল্যাণকামী সমাজ নির্মাণৰ বাবে ৰাষ্ট্রক যোগাত্মক মানসিকতাযুক্ত, কর্মোদ্যমী আৰু মানবীয় অনুভূতিৰে পূর্ণ এচাম নতুন প্রশাসনিক বিষয়াৰ প্রয়োজন।

- **ভাৰতৰ প্রশাসনিক সেৱাৰ ৰাজনৈতিক নিৰপেক্ষতা ঃ**

ব্রিটিছৰ আদর্শত ভাৰতে বিশ্বৰ ভিতৰতে এক উৎকৃষ্ট প্রশাসনিক সেৱাৰ প্রচলন কৰিছে। এই ব্যৱস্থাটোক প্রায়ে ব্রিটিছ সাম্রাজ্যৰ 'লৌহ আৱৰণ' আখ্যা দিয়া হৈছিল। স্বাধীনতাৰ পূর্বে কেন্দ্রৰ নির্বাচিত চৰকাৰৰ ব্যৱস্থা নথকা বাবে মন্ত্রিত্বৰ দায়িত্বৰো কোনো অস্তিত্ব নাছিল। স্বাধীনতাৰ পিছত ভাৰতে সংসদীয় গণতান্ত্রিক চৰকাৰৰ ব্যৱস্থা গ্রহণ কৰাৰ লগে লগে মন্ত্রিত্বৰ পৰম্পৰাৰো আৰম্ভ হ'ল। ১৯৫৮ চনত মুদ্রাকাণ্ড (আর্থিক অনিয়ম সম্পর্কীয় গোচৰ) ৰ অনুসন্ধানৰ দায়িত্ব অর্পণ কৰা এম.চি. চাগলই তেওঁৰ প্রতিবেদনত উল্লেখ কৰিছে যে সাংবিধানিকভাৱে মন্ত্রীসকল সচিবসকলে কৰা কার্যৰ বাবে দায়ী। এগৰাকী মন্ত্রীয়ে তেওঁৰ সহযোগীয়ে লোৱা সিদ্ধান্ত বা কৰা কামৰ বাবে জবাবদিহি হৈ থাকিব লাগে। মন্ত্রীজনে ইয়াৰ পৰা আঁতৰি থাকিব বা সহযোগীয়ে কৰা কার্যক নস্যাৎ কৰিব নোৱাৰে। মন্ত্রীসকলে নিজৰ ক্ষমতাৰ পৰিসৰৰ ভিতৰত পূর্ণ স্বাধীনতা উপভোগ কৰে। মন্ত্রীসকলে তেওঁৰ সহকাৰীসকলে কৰা কামৰ সম্পূর্ণ দায়িত্ব স্বীকাৰ কৰিব লাগে। যদিহে সহকাৰীজনে পৰিকল্পনা সম্বন্ধীয় দায়িত্বসমূহ নৈতিকভাৱে পালন কৰিবলৈ অসমর্থ হয় অথবা মন্ত্রীৰ পৰিকল্পনাসমূহ বাস্তৱত প্রতিফলিত কৰিব নোৱাৰে, তেন্তে সহকাৰীজন শাস্তিৰ সন্মুখীন হ'ব লগীয়া হোৱাৰ লগতে দায়িত্বৰপৰা তেওঁক অব্যাহতিও দিয়া হ'ব পাৰে; কিন্তু তেওঁৰ ব্যর্থতাৰ সকলো দায়িত্ব মন্ত্রীজনে মূৰ পাতি ল'বলগীয়া হয়। মন্ত্রীজনে তেওঁৰ সহকাৰীজনে পৰিকল্পনাক উপযুক্ত ৰূপ দিয়াত ব্যর্থ হ'ল বা তেওঁৰ ইচ্ছা তথা নির্দেশৰ বিপক্ষে কাম কৰিলে বুলি অজুহাত দিব নোৱাৰে। উদাহৰণস্বৰূপে তদানীন্তন বিত্তমন্ত্রী টি. টি. কৃষ্ণমাচাৰীয়ে তেওঁৰ সচিবৰ কার্যৰ নৈতিক দায়িত্ব স্বীকাৰ কৰি পদত্যাগ কৰিবলগীয়া হৈছিল। প্রশাসনিক বিষয়াসকলে বিভিন্ন ৰাজনৈতিক দলৰ শাসনৰ অধীনত কাম কৰিবলগীয়া হোৱাৰ লগতে পৰিকল্পনাসমূহো চৰকাৰ ভেদে পৃথক-পৃথক হোৱাৰ সম্ভাৱনা থকাৰ হেতুকে প্রশাসনিক সেৱাৰ গোপনীয়তাৰ নীতি নিৰপেক্ষতাৰ ধাৰণাটোৰ লগত জড়িত হৈ আছে।

প্রশাসনিক সংস্কাৰ আয়োগৰ প্রতিবেদনত থকা উল্লেখ অনুসৰি ভাৰতত প্রচলিত কেবিনেট চৰকাৰৰ ব্যৱস্থাটোৰ লগত নিম্নোক্ত দিশসমূহ জড়িত হৈ আছে —

(ক) দৃষ্টিভংগী আৰু পৰামর্শৰ লগত ভিন্নতা থাকিলেও প্রশাসনিক বিষয়াসকলে মন্ত্রীসকলৰ সকলো আঁচনি আৰু সিদ্ধান্ত কার্যকৰী কৰিব লাগিব।

(খ) মন্ত্রীৰ উপৰিও অন্যান্য জ্যেষ্ঠসকলক পৰামর্শ প্রদানৰ ক্ষেত্রত প্রশাসনিক বিষয়াসকলৰ পূর্ণ স্বাধীনতা আছে।

(গ) প্রশাসনিক বিষয়াসকলে নিৰপেক্ষতা, পক্ষপাতিত্বহীনতা আৰু গোপনীয়তাৰ নীতি মানি চলিব লাগে।

কিন্তু পৰিতাপৰ বিষয় এই যে ব্রিটিছৰ সময়চোৱাত মন্ত্রী প্রশাসনিক বিষয়াৰ এই সম্পর্ক

বেছি দিনলৈ টিকি নাথাকিল। নিৰপেক্ষতাৰ এই ধাৰণাটো দুটা দশক জুৰি বৰ্তি থাকিল যদিও তাৰ পিছত ই স্থবিৰ হৈ পৰিল। ১৯৫০ ৰ দশত পৰিবৰ্তনৰ আগমন হ'বলৈ লৈছিল যদিও ১৯৬০ ৰ দশকত বিশেষকৈ ১৯৬৭ চনৰ চতুৰ্থ সাধাৰণ নিৰ্বাচনৰ পিছত এই পৰিবৰ্তন ব্যাপক হৈ পৰিল। শেহতীয়া ভাৱে প্রশাসনিক বিষয়াসকলৰ স্পষ্টবাদী, ভীতিহীন আৰু পক্ষপাতিত্বহীন আচৰণক মন্ত্রীসকলে প্রতিবন্ধকতা হিচাপে গণ্য কৰিবলৈ লোৱা পৰিলক্ষিত হৈছে। লাহে লাহে মন্ত্রীসকলে তেওঁলোকৰ সিদ্ধান্ত আৰু কার্যক বিৰোধিতা তথা সন্দেহ প্রকাশ নকৰা বিষয়াসকলক অগ্রাধিকাৰ প্রদান কৰিবলৈ লৈছে। সমালোচনাপ্রৱণ তথা নিৰপেক্ষ বিষয়াসকলক বর্তমান শত্রু হিচাপে গণ্য কৰি প্রশাসনত তেওঁলোকৰ প্রভাৱ আৰু ক্ষমতা হ্রাস কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰা হয়। এই প্রক্রিয়াই প্রশাসনিক বিষয়াসকলৰ মাজত এটা অন্ধ সমর্থনকাৰী দলৰ জন্ম দিছে যাৰ বৃত্তিকেন্দ্রিকতাই প্রধান উদ্দেশ্য হৈ পৰিছে। তেওঁলোকৰ মূল লক্ষ্য হৈছে ৰাজনৈতিক কার্যনির্বাহকৰ ইচ্ছা অনুসৰি দায়িত্ব পালন কৰা। আকৌ ৰাজনৈতিক নেতৃত্বই ভাৰতত প্রশাসনিক সেৱাৰ বিষয়াসকলক বিনম্র আৰু নেতাসকলৰ ইচ্ছাৰ প্রতি দায়বদ্ধ এটা দল হিচাপে গঢ়ি তোলাত সফল হৈছে। এনে হোৱাৰ প্রধান কাৰণ এয়ে যে মন্ত্রীসকলৰ হাতত বিষয়াসকলক বদলি পদোন্নতি তথা বর্খাস্ত কৰাৰ ক্ষমতা ন্যস্ত হৈ আছে। দুর্নীতি প্রতিৰোধৰ বাবে গঠিত এচ.আৰ.দাস আয়োগে ভাৰতত ৰাজনৈতিক প্রশাসনিক দুর্নীতিৰ উপস্থিতিৰ কথা উল্লেখ কৰিছে। ৰাজনীতিৰ অপৰাধীকৰণ সম্পর্কীয় ভোহৰা কমিটিৰ প্রতিবেদনত ৰাজনীতিক, আমোলা, অপৰাধী আৰু মাফিয়াৰ মাজত থকা সম্পর্কৰ কথা ব্যক্ত কৰিছে। এই কথা কেন্দ্রীয় চৰকাৰেও মানি লৈছে। দৰাচলতে, ৰাজনীতিবিদসকলেও তেওঁলোকৰ অধীনস্থ হৈ থকা আৰু কেতিয়াও বিৰুদ্ধাচৰণ নকৰা বিষয়াৰ দ্বাৰা পৰিৱেষ্টিত হৈ থকাটো পচন্দ কৰে। গতিকে এনে অৱস্থাত প্রশাসনিক সেৱা ৰাজনীতিকৰণ প্রক্রিয়াৰ দ্বাৰা প্রভাৱিত হোৱাৰ সম্ভাৱনাই দেখা দিয়ে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ প্রশাসনিক সেৱাৰ নিৰপেক্ষতাই প্রশাসনিক বিষয়াসকল দলীয় ৰাজনীতিৰ উর্ধত থকা বুজায়। (শুদ্ধ/অশুদ্ধ)

.....

.....

প্রশ্ন ২ ঃ প্রশাসনিক সংস্কাৰ আয়োগৰ প্রতিবেদনত থকা উল্লেখ অনুসৰি ভাৰতত প্রচলিত কেবিনেট চৰকাৰৰ ব্যৱস্থাটোৰ লগত জড়িত দুটা দিশ উল্লেখ কৰক।

.....

.....

৯.৪ দায়বদ্ধ প্রশাসনিক বিষয়াৰ সৈতে জড়িত বিভিন্ন দিশ

১৯৬০ ৰ দশকত প্রাক্তন প্রধানমন্ত্রী ইন্দিৰা গান্ধীয়ে অনুভৱ কৰিছিল যে নিৰপেক্ষতাৰ অজুহাতত প্রশাসনিক বিষয়াসকলে চৰকাৰৰ উন্নয়নমূলক আঁচনিৰ প্রতি অনিহা প্রকাশ কৰি আহিছে। ইন্দিৰা গান্ধী দেশৰ আর্থ-সামাজিক পৰিবর্তনৰ মন্থৰ গতিত অসন্তুষ্ট হৈ পৰিছিল আৰু ইয়াৰ বাবে প্রশাসনিক বিষয়াসকলৰ চৰকাৰৰ আঁচনিক বাধাদান কৰা কার্যই দায়ী বুলি কৈছিল। তেওঁ এই কথা ব্যক্ত কৰিছিল যে কেৱল দায়বদ্ধ প্রশাসনিক ব্যৱস্থাইহে পঞ্চবার্ষিক পৰিকল্পনাত অন্তর্গত সামাজিক দিশসমূহৰ লগতে প্রগতিশীল বিধায়িনী মণ্ডলৰ লক্ষ্যত উপনীত হ'ব পাৰে। সেয়েহে ইন্দিৰা গান্ধীয়ে প্রশাসনিক বিষয়াসকলে নিৰপেক্ষতাৰ নীতি ত্যাগ কৰি এটা দায়বদ্ধ প্রশাসনীয় সেৱাৰ প্রণয়ন কৰাটো বিচাৰিছিল। প্রশাসনিক বিষয়াসকল দেশৰ উদ্দেশ্য আৰু উন্নয়নৰ লক্ষ্যৰ প্রতি দায়বদ্ধ হ'ব লাগিব। প্রশাসনিক বিষয়াসকল প্রধানতঃ ৰাষ্ট্রৰ প্রয়োজনৰ প্রতি দায়িত্বশীল হৈ থকা উচিত। এইখিনিতে এটা কথা উল্লেখ কৰি থোৱা উচিত হ'ব যে ভাৰত আৰু অন্যান্য উন্নয়নশীল ৰাষ্ট্রত আঁচনি কার্যকৰীকৰণৰ ক্ষেত্রত প্রশাসনিক বিষয়াসকলে কেবল এটা পক্ষপাতহীন বিষয়াৰ দল হিচাপে কার্যনির্বাহ কৰিলেই নহ'ব। বর্তমান সময়ত দেশখনে আর্থ-সামাজিক বিকাশ তথা সামাজিক ব্যৱস্থাটোক নতুনকৈ নির্মাণ কৰাৰ ক্ষেত্রত প্রত্যাহ্বানৰ সন্মুখীন হৈছে। যিটো সময়ত জাতি ভাষা আৰু গোষ্ঠীগত সংঘর্ষই ৰাজনৈতিক ব্যৱস্থাত যথেষ্ট বাধা প্রদান কৰিছে, তেনে সময়ত প্রশাসনিক বিষয়াসকল নিৰপেক্ষ হৈ থকাৰ সলনি বিভিন্ন আঁচনি যন্ত্রৱৎ কার্যকৰী কৰা বিষয়া ৰূপে পৰিগণিত হোৱাটো বিচৰা হয়।

ইন্দিৰা গান্ধীয়ে আগবঢ়োৱা এই দায়বদ্ধ প্রশাসনিক সেৱাৰ ধাৰণাটো উন্নয়নকামী প্রশাসনৰ ধাৰণাৰ সমধর্মী। ইয়াক 'লক্ষ্যভিত্তিক' প্রশাসনো আখ্যা দিব পাৰি। এই ব্যৱস্থাৰ জৰিয়তে আধুনিকীকৰণ, সামাজিক ন্যায়, ঔদ্যোগিকৰণ আৰু অর্থনৈতিক বিকাশৰ দৰে উন্নয়নৰ লক্ষ্যসমূহত উপনীত হ'ব পাৰি। উন্নয়নশীল ৰাষ্ট্রসমূহে বিভিন্ন আর্থ-সামাজিক সমস্যাৰ সন্মুখীন হৈ থকা বাবে প্রশাসন ব্যৱস্থাটোই এই লক্ষ্যসমূহত নির্দিষ্ট সময়ত উপনীত হ'বলৈ সু-নির্দিষ্ট উদ্দেশ্য আৰু অগ্রাধিকাৰ নির্ধাৰণ কৰিব লাগিব। উন্নয়নকামী প্রশাসন হৈছে উন্নয়নৰ নির্ধাৰিত লক্ষ্যসমূহত উপনীত হোৱাৰ এক আহিলা। এই লক্ষ্যই সমতা, সামাজিক ন্যায়, আধুনিকতা, আয় আৰু সম্পদৰ সমবিতৰণ, কৃষি আৰু উদ্যোগ খণ্ডৰ বিকাশ, সংস্থাপনৰ সৃষ্টি আদি দিশসমূহ সামৰি লয়। উন্নয়নকামী প্রশাসনে প্রগতিশীল চিন্তা আৰু কার্যৰ ওপৰত গুৰুত্ব প্রদান কৰে। প্রশাসনীয় ব্যৱস্থাটো নতুন উদ্ভাৱনীমূলক আঁচনি, পদ্ধতি, কার্যপ্রণালী, কৌশল, পৰিকল্পনা, প্রকল্প আৰু কর্মসূচীৰ প্রতি আগ্রহী হোৱা উচিত যাৰ জৰিয়তে সীমিত সম্পদেৰে নির্দিষ্ট সময়ৰ ভিতৰত উন্নয়নৰ লক্ষ্য আৰু উদ্দেশ্যসমূহ উপনীত হ'ব পাৰে। সেয়েহে ভাৰতৰ দৰে দেশ এখনত সফলতাৰে আঁচনি প্রস্তুত আৰু কার্যকৰীকৰণৰ ক্ষেত্রত প্রশাসনিক বিষয়াসকলে সক্রিয় ভূমিকা পালন কৰিব লাগিব। গতিকে ভাৰতৰ প্রেক্ষাপটত প্রস্তাৱিত ব্যৱস্থাটোক সাধাৰণভাৱে যোগাত্মক নিৰপেক্ষতা আখ্যা দিব পাৰি। এই ব্যৱস্থাত প্রশাসনিক বিষয়াসকল সম্পূর্ণ দায়বদ্ধতাৰে ভাৰতৰ

সংবিধানত উল্লিখিত আর্থ-সামাজিক লক্ষ্য অনুসৰি আঁচনি প্রস্তুত আৰু কার্যকৰীকৰণ প্রক্রিয়াত জড়িত হৈ পৰে। অৱশ্যে যদিহে কোনো আঁচনিত দলীয় আদর্শৰ প্রভাৱ পৰে আৰু জনসাধাৰণৰ কল্যাণৰ পৰিপন্থী হয়, তেন্তে আমোলাসকলে এই সম্পর্কে প্রশ্ন উত্থাপন কৰি চৰকাৰক প্রয়োজনীয় উপদেশ প্রদান কৰিব লাগে। তেতিয়াহে প্রশাসনিক বিষয়াসকলে ৰাজনৈতিক নিৰপেক্ষতাৰ পৰা আঁতৰি নহাকৈ দায়বদ্ধ হৈ থাকিব পাৰিব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৩ ঃ ইন্দিৰা গান্ধীয়ে আগবঢ়োৱা দায়বদ্ধ প্রশাসনিক সেৱাৰ ধাৰণাটো প্রশাসনৰ ধাৰণাৰ সমধর্মী। (খালী ঠাই পূৰণ কৰক)

প্রশ্ন ৪ ঃ দায়বদ্ধ প্রশাসনিয় ব্যৱস্থাটোৰ বিষয়ে চমুকৈ লিখক।

.....

.....



৯.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- প্রশাসনিক সেৱাৰ নিৰপেক্ষতাৰ পৰম্পৰাটো মূলতঃ ব্রিটেইনত বিকশিত হৈছিল আৰু তাৰ পৰৱর্তী কালত ব্রিটিছৰ প্রশাসনীয় গাঁথনি অনুসৰণ কৰা বিভিন্ন ৰাষ্ট্র যেনে অষ্ট্রেলিয়া, কানাডা, মালেছিয়া, পাকিস্তান আদিয়েও গ্রহণ কৰিছিল।
- প্রশাসনিক সেৱাৰ নিৰপেক্ষতা বুলিলে দলীয় ৰাজনীতিৰপৰা প্রশাসনিক বিষয়াসকল উর্ধত থকাকে বুজায়। এগৰাকী প্রশাসনিক বিষয়াই সম-মনোভাৱ আৰু উৎসাহেৰে ৰাজনৈতিক অন্তভূক্তি তথা বুজাবুজিৰ পৰা আঁতৰত থাকি সকলো ৰাজনৈতিক দলৰ চৰকাৰৰ প্রতি সেৱা আগবঢ়ায়।
- প্রশাসনিক সেৱাৰ নিৰপেক্ষতাৰ বাবে আমোলাসকলে যিকোনো দলৰ একে দায়বদ্ধতাৰে সেৱা কৰাটো প্রয়োজনীয়। প্রশাসনিক বিষয়াসকলে দলীয় ব্যৱস্থাৰপৰা বাহিৰত থাকি পূর্বৰ ৰাজনৈতিক শাসকসকলৰ দৰে বর্তমানৰ শাসন ব্যৱস্থাটোৰ প্রতিও সহায় সহযোগিতা আগবঢ়াব লাগে।
- মেক্সৱেবাৰে প্রশাসনিক ব্যৱস্থাৰ সর্বপ্রথম আৰু আটাইতকৈ গুৰুত্বপূর্ণ বৈশিষ্ট্যটো নিৰপেক্ষতা বুলি কৈছে।

- অৱশ্যে নিৰপেক্ষতাৰ এই পৰম্পৰাগত ধাৰণাটো সমালোচনাৰ পৰা মুক্ত নহয়। প্রথমে ক'ব পাৰি নিৰপেক্ষতাৰ ধাৰণাটো ৰাজনীতি প্রশাসনৰ বিভাজন ওপৰত প্রতিষ্ঠিত। বর্তমান সময়ত মন্ত্রী বা ৰাজনৈতিক কার্যনির্বাহকে আঁচনি প্রস্তুত কৰা আৰু প্রশাসনিক বিষয়া বা স্থায়ী কার্যনির্বাহকসকলে কেবল সেই আঁচনিক কার্যকৰী কৰাৰ ধাৰণাটো গ্রহণযোগ্য হৈ থকা নাই।
- প্রশাসনিক বিষয়াসকলে দলীয় ৰাজনীতি সম্পূর্ণ ভাৱে পৰিত্যাগ কৰিব লাগে যদিও পৰিকল্পনাৰ ৰাজনীতি পৰিত্যাগ কৰা উচিত নহয়। আধুনিক কালৰ প্রশাসনিক বিষয়াসকলে চৰকাৰৰ বিভিন্ন আঁচনিৰ প্রতি জনসাধাৰণৰ সমর্থন আদায় কৰাৰ উপৰিও কার্যকৰীকৰণৰ সময়তো তেওঁলোকৰ সৈতে সহযোগিতামূলক সম্পর্ক ৰক্ষা কৰিব লাগে।
- ১৯৫০ ৰ দশত পৰিবর্তনৰ আগমন হ'বলৈ লৈছিল যদিও ১৯৬০ ৰ দশকত বিশেষকৈ ১৯৬৭ চনৰ চতুর্থ সাধাৰণৰ নির্বাচনৰ পিছত এই পৰিবর্তন ব্যাপক হৈ পৰিল।
- শেহতীয়া ভাৱে প্রশাসনিক বিষয়াসকলৰ স্পষ্টবাদী, ভীতিহীন আৰু পক্ষপাতিত্বহীন আচৰণক মন্ত্রীসকলে প্রতিবন্ধকতা হিচাপে গণ্য কৰিবলৈ লোৱা পৰিলক্ষিত হৈছে। লাহে লাহে মন্ত্রীসকলে তেওঁলোকৰ সিদ্ধান্ত আৰু কার্যক বিৰোধিতা তথা সন্দেহ প্রকাশ নকৰা বিষয়াসকলক অগ্রাধিকাৰ প্রদান কৰিবলৈ লৈছে। সমালোচনাপ্রৱণ তথা নিৰপেক্ষ বিষয়াসকলক বর্তমান শত্রু হিচাপে গণ্য কৰি প্রশাসনত তেওঁলোকৰ প্রভাৱ আৰু ক্ষমতা হ্রাস কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰা হয়।
- দুর্নীতি প্রতিৰোধৰ বাবে গঠিত এচ.আৰ.দাস আয়োগে ভাৰতত ৰাজনৈতিক প্রশাসনিক দুর্নীতিৰ উপস্থিতিৰ কথা উল্লেখ কৰিছে। ৰাজনীতিৰ সন্ত্রাসবাদীকৰণ () সম্পর্কীয় ভোহৰা কমিটিৰ প্রতিবেদনত ৰাজনীতিক, আমোলা, সন্ত্রাসবাদী আৰু মাফিয়াৰ মাজত থকা সম্পর্কৰ কথা ব্যক্ত কৰিছে।
- ১৯৬০ ৰ দশকত প্রাক্তন প্রধানমন্ত্রী ইন্দিৰা গান্ধীয়ে অনুভৱ কৰিছিল যে নিৰপেক্ষতাৰ অজুহাতত প্রশাসনিক বিষয়াসকলে চৰকাৰৰ উন্নয়নমূলক আঁচনিৰ প্রতি অনিহা প্রকাশ কৰি আহিছে। ইন্দিৰা গান্ধী দেশৰ আর্থ-সামাজিক পৰিবর্তনৰ মন্থৰ গতিত অসন্তুষ্ট হৈ পৰিছিল আৰু ইয়াৰ বাবে প্রশাসনিক বিষয়াসকলৰ চৰকাৰৰ আঁচনিক বাধাদান কৰা কার্যই দায়ী বুলি কৈছিল।
- তেওঁ এই কথা ব্যক্ত কৰিছিল যে কেৱল দায়বদ্ধ প্রশাসনিক ব্যৱস্থাইহে পঞ্চবার্ষিক পৰিকল্পনাত অন্তর্গত সামাজিক দিশসমূহৰ লগতে প্রগতিশীল বিধায়িনী মণ্ডলৰ লক্ষ্যত উপনীত হ'ব পাৰে। সেয়েহে ইন্দিৰা গান্ধীয়ে প্রশাসনিক বিষয়াসকলে নিৰপেক্ষতাৰ নীতি ত্যাগ কৰি এটা দায়বদ্ধ প্রশাসনীয় সেৱাৰ প্রণয়ন কৰাটো বিচাৰিছিল। প্রশাসনিক বিষয়াসকল দেশৰ উদ্দেশ্য আৰু উন্নয়নৰ লক্ষ্যৰ প্রতি দায়বদ্ধ হ'ব লাগিব।
- ইন্দিৰা গান্ধীয়ে আগবঢ়োৱা এই দায়বদ্ধ প্রশাসনিক সেৱাৰ ধাৰণাটো উন্নয়নকামী

প্ৰশাসনৰ ধাৰণাৰ সমধৰ্মী। ইয়াক 'লক্ষ্যভিত্তিক' প্ৰশাসনো আখ্যা দিব পাৰি। এই ব্যৱস্থাৰ জৰিয়তে আধুনিকীকৰণ, সামাজিক ন্যায়, ঔদ্যোগিকৰণ আৰু অৰ্থনৈতিক বিকাশৰ দৰে উন্নয়নৰ লক্ষ্যসমূহত উপনীত হ'ব পাৰি।

- উন্নয়নকামী প্ৰশাসনে প্ৰগতিশীল চিন্তা আৰু কাৰ্যৰ ওপৰত গুৰুত্ব প্ৰদান কৰে। প্ৰশাসনীয় ব্যৱস্থাটো নতুন উদ্ভাৱনীমূলক আঁচনি, পদ্ধতি, কাৰ্যপ্ৰণালী, কৌশল, পৰিকল্পনা, প্ৰকল্প আৰু কৰ্মসূচীৰ প্ৰতি আগ্ৰহী হোৱা উচিত যাৰ জৰিয়তে সীমিত সম্পদেৰে নিৰ্দিষ্ট সময়ৰ ভিতৰত উন্নয়নৰ লক্ষ্য আৰু উদ্দেশ্যসমূহ উপনীত হ'ব পাৰে।
- ভাৰতৰ দৰে দেশ এখনত সফলতাৰে আঁচনি প্ৰস্তুত আৰু কাৰ্যকৰীকৰণৰ ক্ষেত্ৰত প্ৰশাসনিক বিষয়াসকলে সক্ৰিয় ভূমিকা পালন কৰিব লাগিব। গতিকে ভাৰতৰ প্ৰেক্ষাপটত প্ৰস্তাৱিত ব্যৱস্থাটোক সাধাৰণভাৱে যোগাত্মক নিৰপেক্ষতা আখ্যা দিব পাৰি।
- এই ব্যৱস্থাত প্ৰশাসনিক বিষয়াসকল সম্পূৰ্ণ দায়বদ্ধতাৰে ভাৰতৰ সংবিধানত উল্লিখিত আৰ্থ-সামাজিক লক্ষ্য অনুসৰি আঁচনি প্ৰস্তুত আৰু কাৰ্যকৰীকৰণ প্ৰক্ৰিয়াত জড়িত হৈ পৰে।
- অৱশ্যে যদিহে কোনো আঁচনিত দলীয় আদৰ্শৰ প্ৰভাৱ পৰে আৰু জনসাধাৰণৰ কল্যাণৰ পৰিপন্থী হয়, তেন্তে আমোলাসকলে এই সম্পৰ্কে প্ৰশ্ন উত্থাপন কৰি চৰকাৰক প্ৰয়োজনীয় উপদেশ প্ৰদান কৰিব লাগে।
- তেতিয়াহে প্ৰশাসনিক বিষয়াসকলে ৰাজনৈতিক নিৰপেক্ষতাৰ পৰা আঁতৰি নহাকৈ দায়বদ্ধ হৈ থাকিব পাৰিব।



৯.৬ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১। স্নাতক মহলাৰ লোক প্ৰশাসন — ড° কৃপেশচন্দ্ৰ পাল, অধ্যাপক প্ৰতুল চন্দ্ৰ নায়ক।

২। স্নাতক লোক প্ৰশাসন — ড° নিৰু হাজৰিকা।

৩। লোক প্ৰশাসন পৰিচয় — পুৰন্দৰ গগৈ।

ইংৰাজী গ্ৰন্থ ঃ

1) Avasthi, Amreswar, & Avasthi, Anand Prakash (1999).*Indian Administration.* Agra:Lakshmi Narain Agarwal.

2) Bhagwan, Vishnoo, & Bhushan, Vidya.(2007). *Public Administration.* New Delhi:S.Chand & Company Ltd.